# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। তৃতীয় পৰ্যায়ৰ অৰুণোদয় আৰু এটি কলি দুটি পাত আঁচনিৰ ৰূপায়ণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠক।

২। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ আজিৰে পৰা অহা ১২ জুনলৈ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন।

৩। শিক্ষা সেতু এপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতিৰ তথ্য ৰখাৰ ক্ষেত্ৰত বিদ্যালয় শিক্ষা বিভাগৰ বিশেষ গুৰুত্ব।

৪। বি টি আৰ প্ৰধান প্ৰমোদ বড়োৰ এহেজাৰ ২৪৫টা ভূমিহীন পৰিয়ালক ভূমি অধিকাৰৰ প্ৰমাণ-পত্ৰ বিতৰণ। আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ।

00000

**মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিংযোগে ৰাজ্যখনৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ ফলপ্ৰসূ ৰূপায়ণ আৰু এই অভিযানৰ অগ্ৰগতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে বিতংকৈ বুজ লয়। আলোচনা কালত এটি কলি দুটি পাত শীৰ্ষক নতুন আঁচনিখনৰ ৰূপায়ণৰ বিষয়েও স্থান লাভ কৰে। তদুপৰি বিভিন্ন জিলাত থকা চাহবাগিচাসমূহত স্থায়ী শ্ৰমিক আৰু অস্থায়ী শ্ৰমিকৰ পৰিসংখ্যা তথা চাহবাগিচাৰ কৰ্মচাৰীৰ সংখ্যা আৰু জিলা পৰ্যায়ত ৰূপায়ণ সমিতি গঠনকে ধৰি কেইবাটাও বিষয় মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলৰ সৈতে আলোচনা কৰে।**

00000

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত সমগ্ৰ দেশজুৰি আজি আৰম্ভ হোৱা এই অভিযানত অসমৰ ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

**ধেমাজি** উন্নয়ন খণ্ডৰ অন্তৰ্গত বাটঘৰীয়া গাঁও পঞ্চায়তত আজি ৪০০ৰো অধিক কৃষকৰ উপস্থিতিত বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কৃষক, কৃষি বিজ্ঞানী আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰা হয়। অনুষ্ঠানত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড০ গুঞ্জন

গগৈয়ে খাৰিফ শস্যৰ শেহতীয়া বহনক্ষম প্ৰযুক্তি, জৈৱিক কৃষিকে ধৰি কৃষকৰ বাবে প্ৰয়োজনীয় বিভিন্ন তথ্য অৱগত কৰে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

**–বাইট–**

কৃষি মন্ত্ৰী অতুল বৰাই আজি **ডিব্ৰুগড়** জিলাত এই অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে মানকটা খেলপথাৰত আয়োজিত সভাত ভাষণ দি শ্ৰীবৰাই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকসকলক কৃষি ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলাত এই অভিযানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰায়েও অংশগ্ৰহণ কৰে। জিলাখনত এই অভিযানৰ অধীনত ১০ হাজাৰ ৪০০ কৃষকক সামৰি লোৱা হৈছে।

**লখিমপুৰ** জিলাতো এই অভিযানৰ অংশ হিচাপে জিলা প্ৰশাসনৰ বিষয়ববীয়া, কৃষি বিজ্ঞানী আৰু বিভাগীয় বিষয়াসকলে কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস চলাইছে।

**কামৰূপ** জিলাত আজি গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে এই অভিযানৰ শুভাৰম্ভ কৰে।

**কাছাৰ** জিলাতো আজি এই অভিযানৰ লগত সংগতি ৰাখি আলোচনা সভাৰ আয়োজন কৰা হয়। সভাত শিলচৰৰ বিধায়ক দ্বিপায়ন চক্ৰৱৰ্তী আৰু জিলা কৃষি বিষয়াকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

**মৰিগাঁও** জিলাৰ মায়ং ক্ৰীড়া সন্থাৰ খেলপথাৰত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত গগৈয়ে শুভাৰম্ভ কৰা বিকশিত কৃষি সংকল্প অভিযানত বহুসংখ্যক কৃষকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে জিলা কৃষি বিভাগে চৰকাৰৰ বিভিন্ন আঁচনি সন্দৰ্ভত কৃষকসকলে অৱগত কৰাৰ উপৰি কৃষিত ড্ৰোন আৰু নেন' ইউৰিয়াৰ ব্যৱহাৰ তথা ইয়াৰ উপকাৰিতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

উল্লেখযোগ্য যে দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰি তোলাৰ উদ্দেশ্যে বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ভূমি স্বাস্থ্য পত্ৰৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰৰ ব্যৱস্থা কৰা হ'ব।

00000

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষা সেতু এপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতিৰ তথ্য ৰখাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগে এটা নিৰ্দেশনা জাৰি কৰি ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালক আৰু প্ৰাথমিক শিক্ষা সঞ্চালকক নিয়মীয়াকৈ বিদ্যালয়সমূহৰ পৰিদৰ্শক, প্ৰাথমিক শিক্ষা বিষয়া আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ সৈতে বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে। এই অনুসৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক, প্ৰাথমিক শিক্ষা বিষয়া আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই বিদ্যালয়ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি বৃদ্ধি কৰাৰ বাবে যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তদুপৰি প্ৰতিটো শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীৰ দৈনিক উপস্থিতি নিশ্চিত কৰাৰ বাবে অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকল দায়বদ্ধ হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

00000

বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝৰা মহকুমাৰ কাজিগাঁও গাৰোপাৰা যুৱ ক্ৰীড়া ক্লাবত আয়োজিত অনুষ্ঠানত এহেজাৰ ২৪৫টা ভূমিহীন পৰিয়ালক ভূমি অধিকাৰৰ প্ৰমাণপত্ৰ বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত শ্ৰীবড়োৱে বি টি আৰৰ প্ৰতিটো পৰিয়ালক ভূমি দিয়াৰ বাবে প্ৰশাসন দায়বদ্ধ বুলি উল্লেখ কৰে। তেওঁ কয় যে পৰ্বতঝৰাৰ এহেজাৰ ৫০০ৰো অধিক পৰিয়ালক ভূমিৰ অধিকাৰ প্ৰদান ব্যৱস্থাৰে সামৰি লোৱা হব আৰু ১০ জুলাইৰ পূৰ্বে তেওঁলোকে এই প্ৰমাণপত্ৰ লাভ কৰিব। তেওঁ কয় যে ভূমি অধিকাৰ প্ৰদানৰ দ্বিতীয়টো পদক্ষেপ বিছমুঠি দ্বিতীয় পৰ্যায় অহা মাহত আৰম্ভ কৰা হব। ইয়াৰ দ্বাৰা বি টি আৰত ভূমিহীনক ভূমি প্ৰদান প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰা হব বুলি শ্ৰীবড়োৱে উল্লেখ কৰে। এই অনুষ্ঠানত বি টি আৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু প্ৰশাসনীয় বিষয়া উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক ভাৰতৰ প্ৰগতিৰ ক্ষেত্ৰত উজলি থকা অধ্যায় বুলি মন্তব্য কৰিছে। ছিকিমৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত ভাৰ্চুৱেলি অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে ছিকিমক বিশ্বমানৰ পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্ব দি আহিছে। এই ক্ষেত্ৰত নিৰ্মীয়মান চেৱোক ৰংপো ৰে'লপথে ছিকিমক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে যোৱা ১০ বছৰত ছিকিমত প্ৰায় ৪০০ কিলোমিটাৰ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে আৰু ১০০ কিলমিটাৰৰো অধিক গ্ৰামাঞ্চলৰ পথ নিৰ্মাণ কৰা হৈছে। অটল সেতুৱে ছিকিম আৰু দাৰ্জিলিঙৰ মাজৰ যোগাযোগ বহু পৰিমাণে উন্নত কৰিছে। প্ৰধানমন্ত্ৰীয়ে সম্পূৰ্ণ জৈৱিক ৰাজ্য হিচাপে খ্যাত ছিকিমৰ স্থানীয় বহু লোকক লাভান্বিত কৰিব পৰাকৈ শেহতীয়াকৈ জৈৱিক প্ৰক্ৰিয়াৰে মীন পালনত গুৰুত্ব দিয়াৰ কথাও উল্লেখ কৰে। শ্ৰীমোদীয়ে ভৱিষ্যতে ছিকিমক বিশ্বৰ দৰবাৰত সেউজ ৰাজ্যৰ আদৰ্শ হিচাপে তুলি ধৰিব পৰা যাব বুলি আশা ব্যক্ত কৰে। উত্তৰ পূৰ্বাঞ্চলত ক্ৰীড়া ক্ষেত্ৰত থকা প্ৰতিভাৰ কথা উল্লেখ কৰি তেওঁ কয় যে অঞ্চলটোৰ যুৱ প্ৰজন্মই এই ক্ষেত্ৰত বিকশিত ভাৰত গঢ়াত নেতৃত্ব বহন কৰিব।

০০০০০

উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি ধেমাজিৰ কোলাজানৰ উত্তৰ অসমৰ প্ৰথমটো কম্প্ৰেছড নেচাৰেল গেছ অৰ্থাৎ চিএনজি ষ্টেচন আনুষ্ঠানিকভাৱে মুকলি কৰে। ধেমাজিৰ বগীবিল দলং সংযোগী পথত থকা এটা তেল ডেপোত এই চিএনজি ষ্টেচন মুকলি কৰি শ্ৰীবৰাই সেউজ শক্তি ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে তুলনামূলকভাৱে সুলভ চিএনজি ব্যৱহাৰ কৰি যান বাহনৰ ইঞ্জিনসমূহ দীৰ্ঘদিনলৈ কাৰ্যক্ষম কৰি ৰাখিব পাৰি। পৰিৱেশ সংৰক্ষণ আৰু আৰ্থিক সঞ্চয়ৰ বাবে সকলোকে চিএনজি ব্যৱহাৰ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। শ্ৰীবৰাই উত্তৰ অসমত শীঘ্ৰেই পাইপলাইন গেছৰ ঘৰুৱা সংযোজন আৰম্ভ হ'ব বুলি উল্লেখ কৰি পৰ্যায়ক্ৰমে উত্তৰ পূব গেছ বিতৰণ কোম্পানীয়ে এই কাম কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত খহনীয়াৰ সমস্যাই জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত দংৰাত ব্ৰহ্মপুত্ৰৰ খহনীয়াই উদ্বেগজনক ৰূপ ধাৰণ কৰিছে। বহৰি, বাঘবৰ সংযোগী মথাউৰিটোত বিগত এমাহ ধৰি হোৱা খহনীয়াই গুৰুতৰ ৰূপ ধাৰণ কৰাত জিলাখনৰ বৃহৎ অঞ্চলৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জল সম্পদ বিভাগৰ বৰপেটা সংমণ্ডলে জৰুৰীকালীন বপ্যৱস্থাৰ অংশ হিচাপে খহনীয়া অব্যাহত থকা অংশত জিঅ' বেগ সংস্থাপন কৰি প্ৰতিৰোধী ব্যৱস্থা গঢ়ি তুলিবলৈ তৎপৰতা অব্যাহত ৰাখিছে। জলসম্পদ সংমণ্ডলে প্ৰকাশ কৰা মতে অঞ্চলটোৰ ৩০০ মিটাৰ অংশজুৰি ব্ৰহ্মপুত্ৰৰৰ খহনীয়া অব্যাহত আছে।

০০০০০

কংগ্ৰেছৰ নৱনিযুক্ত ৰাজ্যিক সভাপতি তথা সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নী পাকিস্তানৰ সৈতে যোগাযোগ থকা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত আজি আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাক দীৰ্ঘ সময় জুৰি সোধা-পোছা কৰে। শ্ৰীবৰাই আৰক্ষীক সহযোগ কৰিছে আৰু পৰৱৰ্ত্তী সময়ত অধিক তথ্যৰ বাবে আৰক্ষীয়ে পুনৰ তেওঁক সোধা-পোছা কৰাৰ সম্ভাৱনা আছে। এই সন্দৰ্ভত শ্ৰীবৰাই সাংবাদিকৰ আগত এইদৰে কয়-

**ঃবাইটঃ (ৰিপুণ বৰা)**

উল্লেখযোগ্য যে শ্ৰীগগৈয়ে কালি এখন সংবাদমেলত প্ৰায় ১৪ বছৰ পূৰ্বে পাকিস্তান ভ্ৰমণৰ বিষয়ে উল্লেখ কৰিছিল। অৱশ্যে এই ভ্ৰমণ সম্পূৰ্ণ বৈধ আছিল বুলিও তেওঁ প্ৰকাশ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই শ্ৰীগগৈয়ে ১০০ শতাংশ সঁচা কথা কোৱা নাই বুলি উল্লেখ কৰিছিল।

০০০০০

সমগ্ৰ শিক্ষা অসমে বিশ্ব ধপাত বিৰোধী দিৱসৰ সৈতে সংগতি ৰাখি অহা ৩১ মে'ত সকলো বিদ্যালয়তে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু জিলা মিছন সমন্বয়কলৈ পত্ৰ প্ৰেৰণ কৰিছে। এই দিনটোত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ধপাত আৰু ধপাতজাতীয় সামগ্ৰী সেৱনৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে কুইজ, ৰচনা, শ্ল'গান লিখা প্ৰতিযোগিতা, বাটৰ নাট, স্বাক্ষৰ অভিযান, তথ্য চিত্ৰ প্ৰদৰ্শন, ৰেলী আদিৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়ে আজি শোণিতপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত অহা ৮ জুনত হ'বলগীয়া সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত অংকুৰ ভৰালী, আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ, প্ৰমুখ্যে জ্যেষ্ঠ বিষয়াসকল উপস্থিতি আয়োজিত বৈঠকত পৰীক্ষা কেন্দ্ৰৰ তত্বাৱধায়ক, দণ্ডাধীশ, পৰীক্ষা নিৰীক্ষক, আৰক্ষী বিভাগ, ডাক বিভাগ আৰু এ পি ডি চি এলৰ কৰ্মচাৰীসকলৰ ভূমিকা, দায়িত্ব আৰু সমন্বয় সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। অধ্যক্ষ শ্ৰীউপাধ্যায়ে সকলো অংশীদাৰক নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা শোণিতপুৰ জিলাৰ তিনিটা কেন্দ্ৰত অনুষ্ঠিত হ'ব।

০০০০০

ৰাজ্য চৰকাৰে কন্যা সন্তানৰ বিদ্যায়তনিক শিক্ষাৰ লগতে তেওঁলোকক আত্মৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে ৰাণী লক্ষ্মীবাই আত্মৰক্ষা প্ৰশিক্ষণৰ জৰিয়তে বৰ্তমানলৈকে ১০ লাখ ৫ হাজাৰ কন্যাক সমৰকলাৰ প্ৰশিক্ষণ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ২০২৪-২৫ বৰ্ষত ১৩ হাজাৰ ৩৬৭ খন বিদ্যালয়ক সামৰি লোৱা হৈছে। ইয়াৰ অধীনত ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক কাৰাটে, জুডো আৰু টাইকোৱাণ্ডোৰ সমৰকলাৰ তিনিমহীয়া প্ৰশিক্ষণ প্ৰদান কৰা হয়।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ওদালগুৰি জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন কল্যাণকামী আঁচনিসমূহৰ সন্দৰ্ভত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক গোবিন্দ বসুমতাৰী, জিলা আয়ুক্ত পুলক পাটগিৰিকে ধৰি কেইবাগৰাকী উচ্চ পদস্থ বিষয়া উপস্থিত থাকে। শ্ৰীদাসে জিলাখনৰ বাবে আবণ্টিত হোৱা ৯২ হাজাৰ গৃহৰ বাকী থকা গৃহ নিৰ্মাণৰ কামসমূহ ১৪ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাম-কাজৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে এখন জিলা, এবিধ সামগ্ৰীৰ অধীনত মহিলাসকলৰ দ্বাৰা উৎপাদিত বিভিন্ন এৰী কাপোৰৰ বিশেষ ব্ৰেণ্ড সৃষ্টি কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। জিলাখনত অনাগত সময়ত এক লাখ মহিলাক লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ বাবে পৰিকল্পনা লোৱা হৈছে বুলিও মন্ত্ৰী শ্ৰীদাসে সদৰি কৰে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলালৈ আহিবলগীয়া কেন্দ্ৰীয় তীখা আৰু গুৰু উদ্যোগ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ভূপতি ৰাজু শ্ৰীনিবাস বাৰ্মাৰ আজিৰ কাৰ্যসূচী বাতিল কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰি কাইলৈ পুৱাৰ ভাগত মানকাচৰলৈ ৰাওনা হব। শ্ৰীবাৰ্মাই হাটশিঙিমাৰীত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ মুৰব্বীৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ জিলাখনত ৰূপায়ণ হৈ থকা জলজীৱন মিছনৰ তিনিখন আঁচনিৰ কাম-কাজো পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীয়ে ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তও পৰিদৰ্শন কৰাৰ কথা।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে’ অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ’ব। মুল্লানপুৰত আজি হ’বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া এলিমিনেটৰ খেলত পইণ্ট তালিকাৰ তৃতীয় স্থানত থকা গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এলিমিনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথম কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পৰহিলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ' এপৰ লগতে ফে'চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

ooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ পশ্চিম পটলা-বাৰাংগাবাৰী নিবাসী আদেৰ বড়োৰ আজি পুৱা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ।

ooooo

সমাপ্ত